# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-JAN-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines

-------------------

১। নবীকৰণযোগ্য শক্তিৰে ৰাজ্যৰ শক্তি খণ্ডক আত্মনিৰ্ভৰশীল কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ বিলাসীপাৰাত ৭০ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰ শক্তি প্ৰকল্পৰ উদ্বোধন।

২। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত পৰহিলৈ সৰুসজাইত বাগৰুম্বা দ'হৌ অনুষ্ঠান। পূৰ্ণগতিত শিল্পীসকলৰ আখৰা অব্যাহত।

৩। পহিলা মাঘ উপলক্ষে ৰাজ্যৰ বিভিন্ন ধৰ্মীয় স্থানত অগণন লোকৰ সমাগম। আহোম ৰাজত্বৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ এনাজৰী অটুট ৰখাৰ উদ্দেশ্যে শিৱসাগৰত **ৰংপুৰ মেলা**।

৪। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপটত ধুবুৰীৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শনৰ প্ৰস্তুতি।

**আৰু**

৫। অসমৰ তিনিটা প্ৰকল্পত বিশ্ব বেংকৰ অনুমোদন।

০০০০০

ৰাজ্যত সম্প্ৰতি ৬৮০ মেগাৱাট সৌৰ শক্তি উৎপাদন হয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰাৰ খুদিগাঁৱত ৭০ মেগাৱাট ক্ষমতাসম্পন্ন এটা সৌৰ শক্তি প্ৰকল্পৰ উদ্বোধন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰকল্পটোৱে ৰাজ্যখনক বিদ্যুতৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব।

**বাইট (চি এম)**

প্ৰায় ৩৫০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পত বছৰি প্ৰায় ১৪১ মিলিয়ন ইউনিট বিদ্যুৎ উৎপাদন কৰাৰ উপৰি প্ৰায় এক লাখ ১৫ হাজাৰ টন কাৰ্বন নিৰ্গমন হ্ৰাস কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে শোণিতপুৰ জিলাৰ বৰছলাত নিৰ্মীয়মান ৫০ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰ শক্তি প্ৰকল্পটো অহা এপ্ৰিলত উদ্বোধন কৰাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰে। নবীকৰণযোগ্য শক্তিৰে অসমৰ শক্তি খণ্ডক আত্মনিৰ্ভৰশীল কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই সৌৰ শক্তি প্ৰকল্প নিৰ্মাণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে বিলাসীপাৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ ১৮ হাজাৰ ৩৭৫ গৰাকী মহিলাৰ মাজত প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হেজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলা উদ্যমিতা আচঁনিক ৰাজ্যৰ ইতিহাসৰ সৰ্ববৃহৎ আঁচনি বুলি অভিহিত কৰে। তেওঁ লগতে মহিলাসকলক আঁচনিৰ ধনৰাশি সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। ড০ শৰ্মাই আজি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা সাপটগ্ৰামৰ শান্তিপুৰ ক্ষুদ্ৰ প্ৰাথমিক আয়ুষ্মান আৰোগ্য কেন্দ্ৰলৈ এখন এম্বুলেন্স আনুষ্ঠানিকভাৱে অৰ্পণ কৰে।

০০০০০

চিৰাং জিলাৰ বিজনী বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৬০৮ গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত আজি উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰা হয়। বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলক আৰ্থিকভাৱে সবল কৰি গ্ৰাম্য অৰ্থনীতিৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰে। অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে তেওঁৰ ভাষণত মহিলাসকলক এই ধনৰাশিৰ যথোচিত ব্যৱহাৰেৰে স্বাৱলম্বনৰ বাট মুকলি কৰিবলৈ আহ্বান জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। সেইদিনা বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি চলি আছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলত প্ৰকাশ কৰে।

**বাইট (বিমল বৰা)**

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ ১৭ জানুৱাৰীত হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্নৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০

পহিলা মাঘ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু অন্য ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰাৰ লগতে ঠায়ে ঠায়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মাঘৰ প্ৰথম দিন উপলক্ষে আজি নামনি অসমৰ বিভিন্ন ঠাইত মাঘৰ বিশেষ সভা মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ চেঙাৰ ঐতিহ্যমণ্ডিত সভা মহোৎসৱ ৯৩ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে। একেদৰে নলবাৰী জিলাৰ হাৰিভাঙাতো সভা মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ কাৰহানাৰ শ্ৰীশ্ৰীকৃষ্ণ সত্ৰতো কালিৰে পৰা চাৰিদিনীয়াকৈ মাঘ সভা মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি ভাগৱত ভ্ৰমণ, আৰজ বন্দনা নাম-প্ৰসংগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

বজালীৰ ঐতিহাসিক শ্ৰীশ্ৰী ভোগেশ্বৰ মন্দিৰত এইবেলি ৩০১ সংখ্যক মাঘী সভা মহোৎসৱ পালন কৰা হৈছে। মন্দিৰ পৰিচালনা সমিতিয়ে আজি পুৱা ৫ বজাৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱৰ দ্বাৰ মুকলি কৰে।

হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণীসংগম ৰূপে খ্যাত কামৰূপ জিলাৰ তীৰ্থনগৰী **হাজোত** আজি পহিলা মাঘ উপলক্ষে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত মণিকূট উৎসৱ অনুষ্ঠিত কৰা হয়। জাতি-ধৰ্ম নিৰ্বিশেষে বহুসংখ্যক লোকে পোৱামক্কা দৰগাহ শ্বৰীফৰ পৰা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ উলিওৱা সমন্বয় শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। এই উৎসৱত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে বহুকেইগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰে।

একেদৰে গুৱাহাটী মহানগৰীৰ ধৰ্মীয় স্থানসমূহতো অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, বালাজী মন্দিৰ, দৌলগোবিন্দ মন্দিৰ, উমানন্দ, শুক্ৰেশ্বৰ দেৱালয়কে ধৰি ধৰ্মীয় স্থানসমূহত আজি পুৱাৰে পৰা বহুলোকৰ সমাগম ঘটে।

**উত্তৰ গুৱাহাটীৰ** ঐতিহাসিক ৰংমহলত মাঘ বিহু উপলক্ষে কাবাডী, ৰছি টনা, দৌৰ, টেকেলি ভঙা, মিঠাতেল সানি কলগছত উঠাৰ দৰে প্ৰীতিমূলক খেল-ধেমালিৰ আয়োজন কৰা হয়।

**গোৱালপাৰা**ৰ ৰাভা অধ্যুষিত অঞ্চলসমূহকে ধৰি দুধনৈ, কৃষ্ণাই, ধূপধৰা আদি সকলোতে ভোগৰ উৎসৱ উপলক্ষে আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। গোৱালপাৰা চহৰৰ শাস্ত্ৰী নগৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হৈছে। ৰাভা জনগোষ্ঠীৰ ৰীতি অনুযায়ী জিলাখনৰ বিভিন্ন প্ৰান্তত সমজুৱাভাবে মাহ-কৰাই আৰু পিঠা পনা ভগোৱা হয়। জনগোষ্ঠীটোৰ লোকসকলে মেজি জ্বলোৱাৰ পাছত বিহুৰ দিনা পুৰা ঘৰৰ পৰা অনা পাৰম্পৰিক খাদ্য বস্তু হিংসা বা আখেজ দূৰ কৰাৰ কামনাৰে এনেদৰে ভগাই লয়।

**বৰপেটা** জিলাত কালিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত আজি পহিলা মাঘৰ দিনটোত মেজি জ্বলোৱা হৈছে।

**ধুবুৰী, নলবাৰী, মানকাচৰ** আৰু **বৰাক** উপত্যকাৰ জিলাকেইখনতো ভোগালী বিহুৰ আনন্দ মুখৰ পৰিৱেশৰ বাতৰি আমাৰ সংবাদদাতাই প্ৰেৰণ কৰিছে।

**নগাঁও** জিলাৰ নেহৰুবালিত কালিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ১১৩ সংখ্যক ভোগালী বিহু উৎসৱৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচন, জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা আৰু শিশুসকলৰ মাজত চিত্ৰাংকনৰ লগতে বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

**শিৱসাগৰ**ত টাই আহোম যুৱ পৰিষদৰ জিলা সমিতিৰ উদ্যোগত ৰংপুৰৰ বাকৰিত ৰংপুৰ মেলা অনুষ্ঠিত হৈছে। আহোম ৰাজত্বৰ স্মৃতি আৰু সাতামপুৰুষীয়া সম্প্ৰীতিৰ এনাজৰী অটুট ৰখাৰ উদ্দেশ্যৰে ২০১১ চনৰ পৰা মাঘ মাহৰ প্ৰথম দিনটোত এই মেলাৰ আয়োজন কৰা হয়। এই মেলাত ৰছী টনা, পিচল খুঁটাত বগোৱা, কড়ী খেলকে ধৰি পৰম্পৰাগত খেল-ধেমালিৰ আয়োজন কৰাৰ লগতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰা হয়।

শিৱসাগৰ আৰক্ষী ছাউনীতো আজি কৰ্তব্যৰত আৰক্ষীসকলে কামৰ দায়বদ্ধতাৰ মাজতে পৰম্পৰাগত ৰীতি-নীতি পালন কৰি ভোগালী বিহুৰ উছাহত অংশগ্ৰহণ কৰে।

একেদৰে **ডিব্ৰুগড়** জিলাতো বিপুল উৎসাহেৰে মাঘ বিহু পালন কৰা হয়। জিলাখনৰ মটক জনগোষ্ঠীৰ প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী কালি দিনৰ ভাগত ৰাজহুৱা ভোজৰ আয়োজন কৰা হয়। আজি জিলাখনৰ ক্ষেত্ৰ বিশেষে বুঢ়ামেজি বা মতামেজি জ্বলোৱা হয়।

০০০০০

অহা ২৬ জানুৱাৰীত নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাগ ল'বলগীয়া অসমৰ প্ৰতীকপটযোগে ধুবুৰী জিলাৰ আশাৰীকান্দি গাঁৱৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শন কৰা হ'ব। চৰকাৰী সূত্ৰৰ পৰা প্ৰকাশ কৰা মতে আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে সাজি উলিওৱা এই প্ৰতীকপটৰ জৰিয়তে আশাৰীকান্দি শিল্পীসকলৰ দৈনন্দিন জীৱন, তেওঁলোকৰ আহিলাপাতি কেঁচা সামগ্ৰী আৰু উৎপাদিত সামগ্ৰীৰ লগতে ৰাজ্যৰ

গ্ৰামাঞ্চলৰ সৈতে জড়িত সাংস্কৃতিক উপাদানসমূহ প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটৰ বাবে আনুমানিক ৪৫ৰ পৰা ৫০ লাখ টকা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে ধুবুৰীৰ দেৱীতোলা উন্নয়ন খণ্ডৰ অন্তৰ্গত আশাৰীকান্দি নামৰ সৰু গাঁওখন মৃৎ শিল্পৰ বাবে বিখ্যাত।

০০০০০

বিশ্ব বেংকে ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ উন্নয়ন, সকলো বতৰৰ অনুকূল আন্তঃগাঁথনি নিৰ্মাণ আৰু সেৱা প্ৰদান প্ৰক্ৰিয়া সুচল কৰি তোলাৰ লগতে ৪০ লাখ শিক্ষাৰ্থীৰ দক্ষতা বিকাশৰ উদ্দেশ্যে তিনিটা প্ৰকল্পত অনুমোদন জনাইছে। ভাৰতৰ বাবে থকা বিশ্ব বেংকৰ কাৰ্যবাহী সঞ্চালক প'ল প্ৰছিয়ে প্ৰকাশ কৰা মতে ৩৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম দুৰ্যোগ অনুকূল পথ উন্নয়ন প্ৰকল্পই বিশেষকৈ পাহাৰীয়া ঠাইসমূহত সকলো বতৰৰ বাবে অনুকূল পথ নিৰ্মাণত সহায় কৰিব আৰু জনজাতীয় তথা গ্ৰামাঞ্চলৰ যাত্ৰীসকলৰ যাত্ৰাৰ সময় ৰাহি কৰাত সহায় কৰিব। এই প্ৰকল্পই ৰাজ্যৰ উত্তৰ পূৰ্বাঞ্চলৰ যাতায়াত আৰু পৰিবহন ব্যৱস্থা শক্তিশালী কৰি তুলিব। এই প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত কৰিব। একেদৰে ২৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম বিদ্যালয় শিক্ষা আৰু কিশোৰ কল্যাণ প্ৰকল্পৰ অধীনত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ ২০ লাখ ছাত্ৰ-ছাত্ৰীৰ ফলাফল উন্নত কৰাত সহায় কৰিব আৰু ১০ৰ পৰা ১৯ বছৰ বয়সৰ অন্য ২০ লাখ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৮ কোটি ডলাৰেৰে কাৰ্যকৰী কৰিবলগীয়া অসম প্ৰশাসন আৰু সেৱা প্ৰদান কাৰ্যসূচীয়ে আৱণ্টন আৰু ৰাজহুৱা সম্পদৰ ব্যয়, প্ৰশাসনিক সেৱা প্ৰদান প্ৰক্ৰিয়া আৰু ডাটাপ্ৰণালীকে ধৰি ৰাজহুৱা বিত্তীয় ব্যৱস্থা শক্তিশালী কৰি তুলিব।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত কামৰূপ জিলাৰ কৃষি আৰু কৃষকৰ উন্নয়ন সন্দৰ্ভত জিলা কৃষি বিষয়া মানৰ জ্যোতি দাসৰ সৈতে হোৱা সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাসে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন ১৭ জানুৱাৰীৰ শিল্পী দিৱসৰ দিনটো বিশেষভাবে আয়োজন কৰিছে। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফেচবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ ১৮ জানুৱাৰী দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে অলিম্পিক খেলুৱৈসকলক প্ৰশিক্ষণ দিয়া দেশৰ বিখ্যাত সংস্থা ইনস্পায়াৰ ক্ৰীড়া প্ৰতিষ্ঠানৰ সহযোগত গুৱাহাটীত এটা অত্যাধুনিক ছেটেলাইট ক্ৰীড়া কেন্দ্ৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰতিভাবান যুৱ খেলুৱৈসকলক উন্নত তথা আধুনিক ক্ৰীড়া প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। ক্ৰীড়া বিভাগ আৰু ইনস্পায়াৰ প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত পৰিচালিত এই কেন্দ্ৰৰ জৰিয়তে প্ৰথম পৰ্যায়ত এথলেটিকছ, আৰ্চাৰী, টাইকোৱাণ্ডো, টেবুল টেনিছ, লন টেনিছ, দবা আৰু সাঁতোৰৰ শিবিৰৰ আয়োজন কৰা হৈছে।

দবা খেলেৰে কাইলৈৰ পৰা হ'বলগীয়া এই শিবিৰত দেশৰ অলিম্পিক কাৰ্যসূচী অনুযায়ী দীৰ্ঘম্যাদী প্ৰশিক্ষণ ব্যৱস্থাত গুৰুত্ব আৰোপ কৰি প্ৰদৰ্শনৰ ভিত্তিত খেলুৱৈ চিনাক্তকৰণ আৰু প্ৰশিক্ষকৰ বিকাশৰ বাবে কাম কৰা হ'ব।

ooooo

ডিব্ৰুগড়ৰ মোহনাঘাটত আজি ব্ৰহ্মপুত্ৰত এজন যুৱক সন্ধানহীন হয়। বন্ধুসকলৰ সৈতে নদীৰ পাৰত ফুৰিবলৈ যোৱাৰ সময়ত ভৰি পিচলি যুৱকজন নদীত উটি যায় বুলি প্ৰত্যক্ষদৰ্শীয়ে আমাৰ সংবাদদাতাক জনাইছে। যুৱকজন ডিব্ৰুগড়ৰ শান্তিপাৰাৰ অশোকপথৰ লোহিত মণ্ডল বুলি আমাৰ সংবাদদাতাই জনাইছে। এছ ডি আৰ এফৰ দলে যুৱকজনৰ উদ্ধাৰৰ বাবে অভিযান চলাইছে যদিও এতিয়ালৈকে কোনো শুংসূত্ৰ লাভ কৰা নাই।

ooooo

সমাপ্ত